গোট-১

প্ৰথম অধ্যায়

# জনসংখ্যা বিতৰণ, ঘনত্ব, বৃদ্ধি আৰু গঠন

## (Population : Distribution, Density, Growth and Composition)

জনসংখ্যা ৰাষ্ট্ৰ গঠনৰ অন্যতম প্ৰধান উপাদান। জনসংখ্যাৰ আকাৰৰ ক্ষেত্ৰত ভাৰতবৰ্ষ পৃথিৱীৰ দ্বিতীয় বৃহত্তম দেশ। এই ক্ষেত্ৰত চীন দেশৰ স্থান শীৰ্ষত। ২০০১ চনৰ লোকপিয়ল অনুসৰি ভাৰতবৰ্ষৰ মুঠ জনসংখ্যা হ'ল ১,০২৮ নিযুত। উত্তৰ আমেৰিকা দক্ষিণ আমেৰিকা আৰু ওচেনিয়া মহাদেশৰ মুঠ জনসংখ্যাতকৈ ভাৰতৰ জনসংখ্যা অধিক। এই বৃহৎ আকাৰৰ জনসংখ্যাই ভাৰতৰ সীমিত সম্পদবাজিৰ ওপৰত চাপৰ সৃষ্টি কৰিছে আৰু বহুতো আৰ্থ-সামাজিক সমস্যাৰ সৃষ্টি কৰিছে।

> ভাৰতবৰ্ষ বুলিলে তোমাৰ কি ভাব হয়? ই অকল এখন সাধাৰণ ক্ষেত্ৰীয় ৰাষ্ট্ৰইনে? নে ই মানুহৰ সংমিশ্ৰণ বুজায়? কিছুমান মানুহ এখন চৰকাৰৰ অধীনত বাস কৰা ক্ষেত্ৰ নেকি?

এই অধ্যায়টোত আমি ভাৰতবৰ্ষৰ জনসংখ্যাৰ বিতৰণৰ ধৰণ, ঘনত্ব, বৃদ্ধি আৰু গঠনৰ বিষয়ে আলোচনা কৰিম।

### জনসংখ্যা তথ্যৰ উৎস

> আমাৰ দেশত প্ৰতি দহ বছৰৰ অন্তৰে অন্তৰে লোকগণনা কৰা হয়। ভাৰতবৰ্ষত লোকগণনা পোনতে ১৮৭২ চনত কৰা হয় যদিও প্ৰকৃততে সম্পূৰ্ণ অৰ্থত লোকগণনা আৰম্ভ হয় ১৮৮১ চনত।

### জনসংখ্যাৰ বিতৰণ


চিত্ৰ-১.১ চোৱা আৰু ভাৰতবৰ্ষৰ জনসংখ্যাৰ বিতৰণৰ ধৰণ বৰ্ণনা কৰিবলৈ চেষ্টা কৰা। মানচিত্ৰখনৰ পৰা এইটো স্পষ্ট যে ভাৰতবৰ্ষৰ সকলো ঠাইতেই জনসংখ্যাৰ বিতৰণ সমান নহয়। ভাৰতৰ বিভিন্ন প্ৰদেশ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ জনসংখ্যা ভাৰতবৰ্ষৰ মুঠ জনসংখ্যা আৰু মাটিকালিৰ পৰিপ্ৰেক্ষিতত দেখুওৱা হৈছে। পৰিশিষ্ট-i)। উত্তৰ প্ৰদেশত জনসংখ্যা সৰ্বাধিক আৰু ইয়াৰ পিচতেই স্থান লাভ কৰিছে ক্ৰমে মহাৰাষ্ট্ৰ, বিহাৰ, পশ্চিমবংগ আৰু অন্ধ্ৰপ্ৰদেশ।

#### ক্ৰিয়াকলাপ

> পৰিশিষ্ট-i চোৱা আৰু ভাৰতৰ ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলবোৰৰ মাটিকালি আৰু জনসংখ্যাৰ আকাৰ অনুসৰি এখন তালিকা প্ৰস্তুত কৰি তাৰ পৰা নিম্ন তথ্যবোৰ লিখি উলিওৱা— ৰাজ্য/কেন্দ্ৰীয়শাসিত অঞ্চল
> ক) মাটিকালি আৰু জনসংখ্যাৰ আকাৰ বৃহৎ
> খ) মাটিকালি বৃহৎ কিন্তু জনসংখ্যা তাকৰ
> গ) মাটিকালি কম কিন্তু জনসংখ্যা অধিক

পৰিশিষ্ট-i তালিকালৈ মন কৰাচোন দেখিবা যে উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, বিহাৰ, পশ্চিমবংগ, অন্ধ্ৰপ্ৰদেশ, ৰাজস্থান, কৰ্ণাটক আৰু গুজৰাট এইকেইখন ৰাষ্ট্ৰৰ সন্মিলিত জনসংখ্যা ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ প্ৰায় ৭৬ শতাংশ। আনহাতে আকাৰত ডাঙৰ ৰাজ্য জম্মু আৰু কাশ্মীৰ, অৰুণাচল প্ৰদেশ আৰু উত্তৰাঞ্চলৰ জনসংখ্যা ভাৰতৰ মুঠ জনসংখ্যাৰ শতকৰা হিচাবত যথাক্ৰমে .৯৮, .১১ আৰু .৮৩ মাথোন।

জনসংখ্যাৰ এই অসমান বিতৰণে জনসংখ্যা আৰু ভূপ্ৰাকৃতিক, আৰ্থ-সামাজিক আৰু ঐতিহাসিক কাৰকৰ নিবিড় সম্বন্ধৰ বিষয়ে সূচায়। বিশেষকৈ জলবায়ু ভূ-প্ৰকৃতি আৰু পানীৰ প্ৰাচুৰ্যতাই কোনো এখন ঠাইৰ জনসংখ্যাৰ বিতৰণ প্ৰভাৱান্বিত কৰে। সেয়েহে উত্তৰ ভাৰতৰ নদী গঠিত পলসুৱা সাৰুৱা সমভূমি, ব-দ্বীপ, অঞ্চল আৰু উপকূলীয় সমভূমি অঞ্চলত জনবসতিৰ ঘনত্ব অধিক। আনহাতে মধ্য ভাৰতৰ ভিতৰুৱা অঞ্চলবোৰ, হিমালয় পাৰ্বত্য অঞ্চল, উত্তৰ-পূব ভাৰতৰ পাহাৰীয়া প্ৰদেশকেইখন আৰু উত্তৰ-পশ্চিম ভাৰতৰ ৰাজস্থান আদি দেশত জনসংখ্যা তাকৰ। কিন্তু জলসিঞ্চনৰ উন্নয়ন (ৰাজস্থান) খনিজ আৰু শক্তি সম্পদৰ প্ৰাচুৰ্য (ঝাৰখণ্ড), পৰিবহণৰ উন্নয়ন (দাক্ষিণাত্য মালভূমি) আদিয়ে পূৰ্বৰ পাতলীয়া বসতিৰ অঞ্চলবোৰ মধ্যমীয়া আৰু ঘনবসতিৰ অঞ্চললৈ পৰ্যবসিত কৰিছে (চিত্ৰ-১.১)




*চিত্ৰ-১.১ ঃ ভাৰতবৰ্ষৰ জনসংখ্যাৰ বিতৰণ*


আৰ্থ-সামাজিক আৰু ঐতিহাসিক কাৰকৰ ভিতৰত নতুন কৃষিভূমিৰ আবাদ, স্থায়ী কৃষি, কৃষিৰ উন্নয়ন, জনবসতিৰ আৰ্হি, পৰিবহণৰ উন্নয়ন, ঔদ্যোগিকৰণ আৰু নগৰীকৰণ আদি বিশেষভাৱে উল্লেখযোগ্য। এইখিনিতে উল্লেখ কৰিব পাৰি যে নদী গঠিত সমভূমি আৰু

উপকূলীয় সমভূমি অঞ্চলবোৰত জনবসতিৰ ঘনত্ব অধিক দেখা যায়। এই অঞ্চলবোৰত ভূমি আৰু অন্যান্য সম্পদৰ ক্ৰমশ অৱক্ষয় হ'বলৈ ধৰিছে যদিও জনসংখ্যাৰ ঘনীভূততা (Concentration) সদায় অধিক হৈয়েই আছে। কিয়নো এইবোৰ অঞ্চলত জনবসতিৰ প্ৰাচীন ইতিহাস সমৃদ্ধ আৰু পৰিবহণ ব্যৱস্থাও সুচল। আনহাতে দিল্লী, মুম্বাই, কলকাতা, বাংগালোৰ, পুনে, আহমদাবাদ, চেন্নাই, জয়পুৰ আদি ঠাইত ঔদ্যোগীকৰণ আৰু নগৰীকৰণৰ বাবে বিভিন্ন গ্ৰামাঞ্চলৰ পৰা জনপ্ৰব্ৰজন ঘটি জনসংখ্যা ঘনীভূত হৈছে।

## জনসংখ্যাৰ ঘনত্ব

প্ৰতি বৰ্গ কিলোমিটাৰ (একক-unit) এলেকাত কিমানজন মানুহ বাস কৰে সেয়েই হ'ল জনসংখ্যাৰ ঘনত্ব। ভূমিৰ পৰিপ্ৰেক্ষিতত জনসংখ্যাৰ স্থানিক বিতৰণ বুজাত ই সহায় কৰে। ২০০১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ জনসংখ্যাৰ ঘনত্ব ৩১৩ জন। জনবসতিৰ ঘনত্বৰ ক্ষেত্ৰত এছিয়াৰ ভিতৰত ভাৰতবৰ্ষৰ স্থান তৃতীয়। প্ৰতি বৰ্গ কিলোমিটাৰত ৮৪৯ জন ঘনত্বৰে বাংলাদেশৰ স্থান শীৰ্ষত আৰু দ্বিতীয় স্থান লাভ কৰিছে জাপানে (৩৩৪ জন)। যোৱা পঞ্চাশ বছৰত ভাৰতবৰ্ষৰ জনসংখ্যাৰ ঘনত্ব প্ৰায় ২০০ জন বাঢ়িছে। কিয়নো ১৯৫১ চনত প্ৰতি বৰ্গ কিলোমিটাৰত জনবসতিৰ ঘনত্ব আছিল ১১৭ জন আৰু ২০০১ চনত হয়গৈ ৩১৩ জন।

পৰিশিষ্ট (i) দিয়া তথ্যৰ পৰা এইটো স্পষ্ট যে বিভিন্ন প্ৰদেশৰ জনসংখ্যাৰ ঘনত্বৰ যথেষ্ট পাৰ্থক্য আছে। অৰুণাচল প্ৰদেশৰ জনবসতিৰ ঘনত্ব হ'ল প্ৰতি বৰ্গ কিলোমিটাৰত ১৩ জন। আনহাতে কেন্দ্ৰীয়শাসিত ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ ঘনত্ব হ'ল ৯,৩৪০ জন। উত্তৰ ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত পশ্চিমবংগ (৯০৩), বিহাৰ (৮৮০) আৰু উত্তৰপ্ৰদেশৰ (৬৯০) জনসংখ্যাৰ ঘনত্ব অধিক। আনহাতে দক্ষিণ ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত কেৰালা (৮১৯) আৰু তামিলনাডুৰ (৪৮০) জনসংখ্যাৰ ঘনত্ব অধিক। মধ্যমীয়া ঘনত্বৰ দেশবোৰ হ'ল অসম, গুজৰাট, অন্ধ্ৰপ্ৰদেশ, হাৰিয়ানা, ঝাৰখণ্ড আৰু উৰিষ্যা। হিমালয়ৰ পাদদেশত অৱস্থিত পাহাৰীয়া ৰাজ্যবোৰৰ ঘনত্ব পাতলীয়া। আন্দামান আৰু নিকোবৰৰ বাদে অন্যান্য সকলো কেন্দ্ৰীয় শাসিত অঞ্চলৰ জনসংখ্যাৰ ঘনত্ব অধিক। (চিত্ৰ-১.২)




*চিত্ৰ- ১.২ ঃ ভাৰতৰ জনসংখ্যাৰ ঘনত্ব*

ওপৰত উল্লেখ কৰা জনসংখ্যাৰ সাধাৰণ ঘনত্বই মানুহ আৰু মাটিৰ সম্পৰ্কৰ কথা সূচায়। কিন্তু ক্ৰিয়াত্মক ঘনত্ব (Physiological density) আৰু কৃষিজ ঘনত্ব (Agricultural density) ভাৰতবৰ্ষৰ দৰে কৃষি প্ৰধান দেশৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ। কাৰণ ভূমি-মানুহৰ

অনুপাতে কৃষি উপযোগী ভূমিৰ ওপৰত জনসংখ্যাৰ চাপৰ মাত্ৰাৰ বিষয়ে সূচায়।

ক্ৰিয়াত্মক ঘনত্ব = মুঠ জনসংখ্যা / প্ৰকৃত কৃষিভূমিৰ পৰিমাণ

কৃষি ঘনত্ব = মুঠ কৃষিৰ সৈতে জড়িত জনসংখ্যা / প্ৰকৃত কৃষিৰ উপযোগী ভূমিৰ পৰিমাণ

কৃষি জনসংখ্যাই খেতিয়ক/কৃষক, কৃষিৰ সৈতে জড়িত শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালক সামৰি লয়।

## ক্ৰিয়াকলাপ

**পৰিশিষ্ট (ii) দিয়া তথ্যৰ আধাৰত ভাৰতবৰ্ষৰ ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলবোৰৰ ক্ৰিয়াত্মক ঘনত্ব আৰু কৃষিজ ঘনত্ব উলিওৱা আৰু সেই তথ্যবোৰ সাধাৰণ জনসংখ্যাৰ ঘনত্বৰ লগত তুলনা কৰা**

## জনসংখ্যাৰ বৃদ্ধি

কোনো এখন ঠাইৰ এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত সলনি হোৱা মানুহৰ সংখ্যাই হ'ল জনসংখ্যাৰ বৃদ্ধি। জনসংখ্যাৰ বৃদ্ধিৰ হাৰ শতাংশ হিচাপত প্ৰকাশ কৰা হয়। জনসংখ্যা বৃদ্ধিৰ দুটা উপাদান আছে; যেনে প্ৰাকৃতিক আৰু প্ৰৰোচিত (induced) • জন্ম আৰু মৃত্যুৰ হাৰৰ পাৰ্থক্য উলিয়াই প্ৰাকৃতিক বৃদ্ধিৰ হাৰ গণনা কৰা হয়। আনহাতে প্ৰৰোচিত বৃদ্ধিৰ হাৰ উলিয়াবলৈ এটা নিৰ্দিষ্ট অঞ্চললৈ কৰা আপ্ৰব্ৰজন (immigration) আৰু উৎপ্ৰব্ৰজনৰ (emigration) পাৰ্থক্য উলিয়াই হ্ৰাস-বৃদ্ধি গণনা কৰা হয়। এই অধ্যায়ত আমি ভাৰতৰ জনসংখ্যাৰ প্ৰাকৃতিক বৃদ্ধিৰ বিষয়ে আলোচনা কৰিম।

বিগত কেইবাটাও দশক আৰু প্ৰতিটো বছৰতেই ভাৰতবৰ্ষৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ ক্ৰমশ বাঢ়ি গৈছে। ভাৰতৰ বৰ্তমান বছৰেকীয়া বৃদ্ধিৰ হাৰ ২.৪ শতাংশ। এই হাৰত বৃদ্ধি হৈ থাকিলে অহা ৩৬ বছৰৰ মূৰত ভাৰতৰ জনসংখ্যা দুগুণ হৈ চীন দেশৰ জনসংখ্যাতকৈ অধিক হোৱাৰ আশংকা কৰা হৈছে।

**জনসংখ্যা দ্বিগুণ সময়**

**বৰ্তমান বছৰেকীয়া বৃদ্ধিৰ হাৰত জনসংখ্যা বাঢ়ি গৈ দুগুণ হোৱাটোকেই জনসংখ্যা দ্বিগুণ সময় বোলা হয়।**

যোৱা শতিকাত ভাৰতৰ জনসংখ্যাৰ বৃদ্ধি প্ৰাকৃতিক আৰু প্ৰৰোচিত বা প্ৰব্ৰজন এই দুয়োটা উপাদানৰ ফলতেই হৈছে। বিগত শতিকাটোত চাৰিটা সুনিৰ্দিষ্ট পৰ্যায়ত জনসংখ্যা বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে।

তালিকা- ১.১ ঃ ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধি (১৯০১-২০০১)


| গণনা বছৰ | মুঠ জনসংখ্যা | বৃদ্ধিৰ হাৰ | |
|---|---|---|---|
| | | আপেক্ষিক জনসংখ্যা | বৃদ্ধিৰ হাৰ (%) |
| ১৯০১ | ২৩৮৩৯৬৩২৭ | | |
| ১৯১১ | ২৫২০৯৩৩৯০ | (+) ১৩৬৯৭০৬৩ | ৫.৭৫ |
| ১৯২১ | ২৫১৩২১২১৩ | (-) ৭৭২১১৭ | (-) ০.৩১ |
| ১৯৩১ | ২৭৮৯৭৭২৩৮ | (+) ২৭৬৫৬০২৫ | (+) ১১.০০ |
| ১৯৪১ | ৩১৮৬৬০৫৮০ | (+) ৩৯৬৮৩৩৪২ | (+) ১৪.২২ |
| ১৯৫১ | ৩৬১০৮৮০৯০ | (+) ৪২৪২০৪৮৫ | (+) ১৩.৩১ |
| ১৯৬১ | ৪৩৯২৩৪৭৭১ | (+) ৭৭৬৮২৮৭৩ | (+) ২১.৫১ |
| ১৯৭১ | ৫৪৮১৫৯৬৫২ | (+) ১০৮৯২৪৮৮১ | (+) ২৪.৮০ |
| ১৯৮১ | ৬৮৩৩২৯০৯৭ | (+) ১৩৫১৬৯৪৪৫ | (+) ২৪.৬৬ |
| ১৯৯১ | ৮৪৬৩০২৬৮৮ | (+) ১৬২৯৭৩৫৯১ | (+) ২৩.৮৫ |
| ২০০১ | ১০২৮৬১০৩২৮ | (+) ১৮২৩০৭৬৪০ | (+) ২১.৫৪ |

$$\text{দশকৰ বৃদ্ধিৰ হাৰ} = \frac{P_1 - P_2}{P_1 - P_2} \times ১০০$$

য'ত, $P_1$ = আধাৰ ভিত্তি

বছৰৰ জনসংখ্যা

$P_2$ = বছৰটোৰ জনসংখ্যা



*চিত্ৰ- ১.৩ ঃ ভাৰতৰ জনসংখ্যা বৃদ্ধি*

**পৰ্যায়-১ ঃ** ১৯০১-১৯২১ চনলৈ জনসংখ্যা বৃদ্ধিৰ স্থবিৰতাৰ দশক বুলিব পাৰি। কিয়নো জনসংখ্যাৰ বৃদ্ধি নগণ্য; আনকি ১৯১১-'২১ চনত বৃদ্ধি আছিল ঋণাত্মক। জন্ম আৰু মৃত্যুৰ হাৰ উভয়েই অধিক আছিল আৰু সেয়েহে বৃদ্ধিৰ হাৰ নিচেই তাকৰ আছিল (পৰিশিষ্ট-III)। অনুন্নত স্বাস্থ্য সেৱা, দুৰ্বল স্বাস্থ্য, মানুহৰ শিক্ষাৰ অভাৱ, মৌলিক প্ৰয়োজনীয় আৰু খাদ্য-দ্ৰব্যৰ অনিয়মীয়া আৰু অসমান বিতৰণ ব্যৱস্থা আদিৰ কাৰণে জন্মৰ হাৰ আৰু মৃত্যুৰ হাৰ অধিক আছিল।

**পৰ্যায়- ২ ঃ** ১৯২১-১৯৫১ চনলৈ জনসংখ্যা বৃদ্ধিৰ হাৰ ক্ৰমে বাঢ়িবলৈ ধৰে। স্বাস্থ্য সেৱাৰ উন্নতি অনাময় (sanitation) ব্যৱস্থাৰ উন্নয়ন আদিয়ে মৃত্যুৰ হাৰ হ্ৰাস কৰে। একে সময়তে যাতায়াত আৰু পৰিবহণ ব্যৱস্থাৰ উন্নয়ন হোৱাত জনসংখ্যাৰ বিতৰণ ব্যৱস্থাত যথেষ্ট প্ৰভাৱ পৰে। জন্মৰ হাৰ আগৰ পৰ্যায়তকৈ অধিক হয়। ১৯২০ দশকৰ বৃহৎ অৰ্থনৈতিক মন্দাৱস্থা (Great Economic Depression) আৰু দ্বিতীয় বিশ্ব মহাযুদ্ধৰ ((১৯৩৯-'৪৫) প্ৰভাৱ এই সময়ছোৱাত বিশেষভাৱে পৰিলক্ষিত হৈছিল।

**পৰ্যায়- ৩ ঃ** ১৯৫১-১৯৮১ এই কালছোৱা ভাৰতৰ জনসংখ্যাৰ বিস্ফোৰণৰ কাল হিচাপে আখ্যা দিয়া হয়, কিয়নো এই সময়ত জনসংখ্যাৰ জন্মৰ হাৰ যথেষ্ট বৃদ্ধি হয় আৰু মৃত্যুৰ হাৰ একেবাৰে কমি যায়। স্বাধীনতাৰ পিচত দেশৰ অৰ্থনৈতিক পৰিকল্পনাৰ সফল ৰূপায়ণৰ বাবে জীৱন-ধাৰণৰ মান উন্নত হয় আৰু উন্নত স্বাস্থ্য সেৱাৰ বাবে জনসংখ্যাৰ বৃদ্ধিৰ হাৰ বছৰি ২.২ শতাংশ হয়। তদুপৰি, আন্তৰ্জাতিক অনুপ্ৰৱেশ বিশেষকৈ বাংলাদেশ, তিব্বত, নেপাল আদি দেশৰ পৰা বৈধ-অবৈধ লোক ভাৰতত প্ৰৱেশ কৰে। আনকি পাকিস্তানৰ পৰাও বৃহৎ অনুপ্ৰৱেশ ঘটি জনসংখ্যা দ্ৰুত বৃদ্ধিত অৰিহণা যোগায়।

**পৰ্যায়-৪ ঃ** ১৯৮১ চনৰ পৰা বৰ্তমানলৈ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ অধিক যদিও ক্ৰমে লেহেমীয়া হোৱা দেখা যায় (তালিকা-১.১)। জন্মৰ হাৰ ক্ৰমে হ্ৰাস পাবলৈ ধৰে। বিবাহৰ গড় বয়স বাঢ়ি যায়, শিক্ষিতৰ হাৰ ক্ৰমশ বৃদ্ধি হ'বলৈ ধৰে, বিশেষকৈ মহিলাৰ শিক্ষিতৰ হাৰ ভাৰতত চকুতলগাকৈ বৃদ্ধি হয়।

ভাৰতৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ এতিয়াও যথেষ্ট বেছি। বিশ্ব উন্নয়ন খতিয়ান (World Development Report)ৰ প্ৰাককলন অনুসৰি ভাৰতবৰ্ষৰ জনসংখ্যা ২০২৫ চনত ১.৩৫০ নিযুত হ'বগৈ।

ওপৰোক্ত ব্যাখ্যা দেশখনৰ গড় জনসংখ্যা বৃদ্ধিৰ আধাৰত আগবঢ়োৱা হৈছে যদিও ভাৰতৰ জনসংখ্যা বৃদ্ধিত আঞ্চলিক বৈষম্য বাৰুকৈয়েই পৰিলক্ষিত হয় (পৰিশিষ্ট-IV)

## জনসংখ্যা বৃদ্ধিৰ আঞ্চলিক বৈষম্য

১৯৯১-২০০১ দশকটোত ভাৰতবৰ্ষৰ ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলবোৰত বৃদ্ধিৰ হাৰৰ চানেকি স্পষ্ট ৰূপত দেখা যায়।

কেৰালা, কৰ্ণাটক, তামিলনাড়ু, অন্ধ্ৰপ্ৰদেশ, উৰিষ্যা, পণ্ডিচেৰী আৰু গোৱাত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ কম। এই অঞ্চলবোৰত দশকটোত বৃদ্ধিৰ হাৰ শতকৰা ২০ জনতকৈ অধিক নহয়। কেৰালা ৰাজ্যত বৃদ্ধিৰ হাৰ নিম্নতম (৯.৪%)।

দেশখনৰ উত্তৰ পশ্চিম, উত্তৰ আৰু উত্তৰ মধ্য অঞ্চলৰ নিৰবিচ্ছিন্ন এটা বলয়ত আনকি দক্ষিণ ভাৰতৰ দেশসমূহতকৈ বৃদ্ধিৰ হাৰ অধিক। এই বলয়টোৰ অন্তৰ্গত দেশবোৰ হ'ল গুজৰাট, মহাৰাষ্ট্ৰ, পঞ্জাব, হাৰিয়ানা, উত্তৰপ্ৰদেশ, উত্তৰাঞ্চল, মধ্যপ্ৰদেশ, ছিকিম, পশ্চিমবংগ, বিহাৰ, ঝাৰখণ্ড অসম আৰু ত্ৰিপুৰা। গড় হিচাপে এই অঞ্চলৰ বৃদ্ধিৰ হাৰ ২০-২৫ শতাংশ।

> আন্দামান-নিকোবৰ, লাক্ষাদ্বীপ আৰু পণ্ডিচেৰীৰ বাদে উত্তৰ-পূবৰ ৰাজ্য আৰু কিছুমান কেন্দ্ৰীয় শাসিত অঞ্চলৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ বেছি কিয়? ________

### ক্ৰিয়াকলাপ

> **তোমাৰ ৰাজ্যখনৰ জিলাভিত্তিক পুৰুষ আৰু মহিলাৰ জনসংখ্যাৰ বৃদ্ধিৰ তথ্য ব্যৱহাৰ কৰি এটা সমন্বিত দণ্ড চিত্ৰ (Composite Bar Graph) প্ৰস্তুত কৰা**

ভাৰতৰ জনসংখ্যাৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল ইয়াৰ কিশোৰ (adolescence) অভাৱনীয় বৃদ্ধিৰ হাৰ। অৰ্থাৎ ১০-১৯ বছৰৰ ল'ৰা-ছোৱালী ২০০১ চনৰ পিয়ল অনুসৰি ২২ শতাংশ, ইয়াৰ ভিতৰত ল'ৰা ৫৩ শতাংশ আৰু ছোৱালী ৪৭ শতাংশ। এই বয়সৰ ল'ৰা-ছোৱালী অধিক সম্ভাৱনাপূৰ্ণ বুলি ভবা হয় যদিও উপযুক্ত পথ নিৰ্দেশনাৰ অভাৱত অতি হননীয় (vulnerable) হ'ব পাৰে। সমাজে এইচাম ল'ৰা-ছোৱালীৰ কাৰণে যথেষ্ট কৰণীয় আছে; কিয়নো এইচামৰ ভিতৰত কম বয়সত বিবাহ, নিৰক্ষৰতা (বিশেষকৈ মহিলাৰ

নিৰক্ষৰতা) বিদ্যালয়লৈ যোৱা বাদ দিয়া, পুষ্টিহীনতা, কম বয়সতেই গৰ্ভধাৰণ কৰি মৃত্যুমুখত পৰা, এইডছ/HIV সংক্ৰমণ শাৰীৰিক আৰু মানসিক অত্যধিক চাপৰ ফলত হ'ব পৰা ৰোগ, মাদক দ্ৰব্য সেৱণৰ প্ৰতি আসক্তি, যুৱ অপৰাধ প্ৰৱণতা, কাজিয়া-পেচাল আদিৰ দৰে বিভিন্ন ব্যাধিয়ে সহজতে আকৃষ্ট কৰে আৰু সমাজলৈ অমানিশা অনাৰ সম্ভাৱনা প্ৰকট হৈ উঠে।

এনেকুৱা বিষয়বোৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ভাৰত চৰকাৰে বিভিন্ন শিক্ষা সম্বন্ধীয় আঁচনি যুগুত কৰি এইচাম কিশোৰ-কিশোৰীক সঠিক পথৰ নিৰ্দেশনাৰ আঁচনি কাৰ্যক্ষম কৰিছে। ৰাষ্ট্ৰীয় যুৱ নীতি (National Youth Policy) ইয়াৰ উদাহৰণ। এই নীতিৰ জৰিয়তে ভাৰত চৰকাৰে কিশোৰ-কিশোৰী আৰু যুৱক-যুৱতীক মেধাৰ ভিত্তিত বিভিন্ন প্ৰশিক্ষণ দি সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ ব্যৱস্থা কৰিছে।

২০০৩ চনত কাৰ্যকৰী কৰা ৰাষ্ট্ৰীয় যুৱ নীতিয়ে যুৱক-যুৱতীসকলৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ যোগেদি কল্যাণকামী ৰাষ্ট্ৰ গঠনত তেওঁলোকৰ ধনাত্মক সহযোগ কামনা কৰিছে। মহিলা আৰু কিশোৰীৰ সবলীকৰণৰ বিশেষ ব্যৱস্থাৰ যোগেদি পুৰুষ-মহিলাৰ মৰ্যাদা সমপৰ্যায়ৰ কৰাৰ প্ৰয়াস কৰিছে। যুৱক-যুৱতীসকলৰ সৰ্বাংগীন উন্নয়নৰ হকে খেলা-ধূলা, আমোদ-প্ৰমোদ, স্বাস্থ্য আদিৰ উপৰিও বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ শেহতীয়া আৱিষ্কাৰ আৰু কৌশলৰ স'তে পৰিচয় কৰি দি বৈজ্ঞানিক চিন্তাধাৰাৰ উন্মেষৰ হকে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে কাৰ্যব্যৱস্থা লৈছে।

ওপৰত আলোচনাৰ পৰা স্পষ্ট হৈছে যে স্থান আৰু কালভেদে জনসংখ্যাৰ বৃদ্ধিৰ তাৰতম্য হৈছে আৰু বৰ্ধিত জনসংখ্যাই কিছুমান বিশেষ সামাজিক সমস্যাৰ সৃষ্টি কৰিছে। জনসংখ্যাৰ বৃদ্ধিৰ আৰ্হিৰ (pattern) বিষয়ে গভীৰভাৱে অধ্যয়ন কৰিবলৈ হ'লে জনসংখ্যাৰ গঠন (composition) সম্পৰ্কে জ্ঞান আহৰণ কৰিব লাগিব।

## জনসংখ্যাৰ গঠন

জনসংখ্যা ভূগোলত জনসংখ্যাৰ গঠনৰ বিষয়ে বহলভাৱে আলোচনা কৰা হয়। বয়স আৰু লিংগৰ বিশ্লেষণ, বাসস্থান, জনগোষ্ঠীয় বৈশিষ্ট্য, জনজাতি, ভাষা, ধৰ্ম, বৈবাহিক সম্বন্ধ, সাক্ষৰতা আৰু শিক্ষা (literacy and education) বৃত্তিগত বৈশিষ্ট ইত্যাদি। ইয়াত আমি ভাৰতৰ গ্ৰাম্য-নগৰীয়া বৈশিষ্ট্য, ভাষা, ধৰ্ম আৰু বৃত্তিৰ আৰ্হিৰ গঠন সম্পৰ্কে আলোচনা কৰিম।

## গ্ৰাম্য-নগৰীয়া গঠন

জনসংখ্যাৰ গ্ৰাম্য-নগৰীয়া বাসস্থানৰ গঠন আৰ্থ-সামাজিক বৈশিষ্ট্যৰ অতি প্ৰয়োজনীয় সূচক। যদিহে এখন দেশৰ প্ৰায় ৭২ শতাংশ লোকেই গাঁও অঞ্চলত বাস কৰে তেন্তে ই আৰু অধিক গুৰুত্বপূৰ্ণ হৈ উঠে।

### ক্ৰিয়াকলাপ

**পৰিশিষ্ট (IV) দিয়া তথ্যৰ ভিত্তিত ভাৰতৰ প্ৰদেশবোৰৰ গ্ৰাম্য জনসংখ্যা শতাংশ হিচাপত গণনা কৰি ভাৰতৰ মানচিত্ৰত (মানচিত্ৰবিদ্যাৰ কৌশল প্ৰয়োগ কৰি) দেখুওৱা।**

তোমালোকে জানানে যে ২০০১ চনৰ পিয়ল অনুসৰি ভাৰতত বৰ্তমান ৬,৩৮,৫৮৮ খন গাঁও আছে আৰু ইয়াৰ ভিতৰত ৫,৯৩,৭৩১খনেই (৯৩ শতাংশ) বসতিপূৰ্ণ গাঁও? গাঁওবিলাকৰ বিতৰণলৈ মন কৰিলে দেখা যায় যে ভাৰতৰ সকলো প্ৰদেশতেই সমভাৱে বিতৰণ হৈ থকা নাই। তোমালোকে নিশ্চয় মন কৰিছা যে বিহাৰ আৰু ছিক্কিমত গ্ৰাম্য জনসংখ্যাৰ শতকৰা হাৰ অধিক। গোৱা, মহাৰাষ্ট্ৰ আদিত গ্ৰাম্য জনসংখ্যা পঞ্চাশ শতাংশতকৈ অলপ বেছি।

আনহাতে দাদৰ আৰু নগৰ হাভেলীৰ বাহিৰে (৭৭.১ শতাংশ) অন্যান্য কেন্দ্ৰীয় শাসিত অঞ্চলবোৰত গ্ৰাম্য জনসংখ্যাৰ অনুপাত তাকৰ। গাঁওবোৰৰ আকাৰৰ ক্ষেত্ৰতো যথেষ্ট পাৰ্থক্য দেখা যায়। উত্তৰ-পূব ভাৰতৰ পাহাৰীয়া ৰাজ্যবোৰ পশ্চিম ৰাজস্থান আৰু কচ্ছৰ ৰান অঞ্চলত থকা গাঁওবোৰত ২০০ লোকতকৈও কম মানুহে বাস কৰে। আনহাতে কেৰালা আৰু মহাৰাষ্ট্ৰৰ কিছুমান গাঁৱত প্ৰায়

১৭ হেজাৰ লোক বাস কৰা দেখা যায়। গ্ৰাম্য বসতিৰ বিতৰণ ভালদৰে নিৰীক্ষণ কৰিলে স্পষ্টকৈ বুজিব পাৰি যে নগৰীকৰণৰ পৰ্যায় (degree), আন্তঃআঞ্চলিক আৰু আন্তঃৰাজিক আৰু গ্ৰাম্য-নগৰীয়া প্ৰব্ৰজনে গ্ৰাম্য জনসংখ্যা নিয়ন্ত্ৰিত কৰে।

ভাৰতৰ নগৰীয়া জনসংখ্যা কম, মাত্ৰ ২৭.৮ শতাংশ আৰু যোৱা কেইটামান দশকত ই দ্ৰুতগতিত বৃদ্ধি হ'বলৈ ধৰিছে। বিশেষকৈ ১৯৩১ চনৰ পিচৰ পৰা অৰ্থনৈতিক আৰু স্বাস্থ্য সম্পৰ্কীয় সুবিধাৰ উন্নয়নৰ কাৰণে নগৰীয়া জনসংখ্যা হাৰ যথেষ্ট বৃদ্ধি হৈছে।

নগৰীয়া জনসংখ্যাৰ বিতৰণৰ ক্ষেত্ৰতো সমগ্ৰ দেশতেই যথেষ্ট বৈষম্য পৰিলক্ষিত হয়। (পৰিশিষ্ট-IV)

### ক্ৰিয়াকলাপ

**পৰিশিষ্ট (IV) খনলৈ মন কৰা আৰু অধিকাংশ আৰু তাকৰীয়া নগৰীয়া জনসংখ্যা থকা ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলবোৰ চিহ্নিত কৰা।**

ভাৰতৰ প্ৰায়বোৰ ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত নগৰীয়া জনসংখ্যাৰ বৃদ্ধি হোৱা পৰিলক্ষিত হয়। ইয়াৰ দ্বাৰা নগৰীয়া অঞ্চলৰ আৰ্থ-সামাজিক উন্নয়ন হোৱাৰ লগতে গ্ৰাম্য-নগৰীয়া-প্ৰব্ৰজনৰ বৰ্ধিত হাৰৰ বিষয়ে জানিব পাৰি। উত্তৰ ভাৰতৰ সমভূমি অঞ্চলৰ ৰে'ল আৰু আলিবাটৰ দুয়োকাষে আৰু শিল্পপ্ৰধান অঞ্চল বিশেষকৈ কলকাতাৰ আশে-পাশে, মুম্বাই, বাংগালোৰ, মহীশূৰ, মাড়ৰাই-কইমবাটুৰ-আহমেদাবাদ-চুৰাট, দিল্লী-কানপুৰ আৰু লুধিয়ানা-জলন্ধৰৰ কিছুমান নিৰ্দিষ্ট ঠাইলৈ এনে প্ৰব্ৰজন অধিক হোৱা দেখা যায়। মধ্য আৰু নিম্ন গংগা সমভূমি অঞ্চল, টেলেংগানা, পশ্চিম ৰাজস্থানৰ পানী যোগান ব্যৱস্থা নথকা ঠাইবোৰ, পাহাৰীয়া ভিতৰুৱা অঞ্চলবোৰ, উত্তৰ-পূব ভাৰতৰ জনজাতি অধ্যুষিত অঞ্চল, উপদ্বীপীয় অঞ্চলৰ বানপানী হোৱা ঠাইবোৰ, মধ্য প্ৰদেশৰ পূৰ্বাংশ আদিত কৃষিৰ স্থবিৰতাৰ হেতু নগৰীকৰণ অতি লেহেমীয়া।

## ভাষিক গঠন

ভাৰতবৰ্ষত বিভিন্ন ভাষা-ভাষীৰ লোক বাস কৰে। গিয়াৰ্চনৰ মতে (Linguistic Survey of India 1903-1928) ভাৰতবৰ্ষত ১৭৯টা ভাষা আৰু ৫৪৪টা দোৱান আছিল। আধুনিক ভাৰতত ১৯৯১ চনৰ জৰীপ অনুসৰি ১৮টা সংবিধান স্বীকৃত ভাষা প্ৰচলিত। ১০ টকীয়া কাগজৰ মুদ্ৰাত কিমানটা ভাষা পোৱা যায় চোৱাচোন। সংবিধান স্বীকৃত ভাষাৰ ভিতৰত হিন্দী ভাষা-ভাষী লোকৰ সংখ্যাই অধিক (৪০.৪২ শতাংশ) লঘিষ্ঠ ভাষিক গোষ্ঠীৰ লোক হ'ল কাশ্মিৰী আৰু সংস্কৃত (প্ৰত্যকৰেই ০.০১ শতাংশ)। কোনো নিৰ্দিষ্ট এটা ভাষা ব্যৱহাৰ কৰা অঞ্চল ভাৰতবৰ্ষত পোৱাটো কঠিন কিয়নো প্ৰায় প্ৰতিটো অঞ্চলতেই একাধিক ভাষা-ভাষীৰ লোক বাস কৰে।

## ভাষিক বৰ্গীকৰণ

ভাৰতবৰ্ষৰ প্ৰধান ভাষাসমূহক চাৰিটা মূল ভাষিক পৰিয়ালৰ অন্তৰ্ভুক্ত কৰিব পাৰি। মূল ভাষা চাৰিটাক আকৌ বহুতো ঠাল-ঠেঙুলি বা শাখা-প্ৰশাখাত ভাগ কৰিব পাৰি (তালিকা-১.২)

**তালিকা ১.২ ঃ আধুনিক ভাৰতীয় ভাষাবোৰ**

| ভাষিক গোষ্ঠী পৰিয়াল | উপ-ভাষা | শাখা | প্ৰচলিত অঞ্চল |
|---|---|---|---|
| অষ্ট্ৰিক (নিশাদ) ১.৩৮ | অষ্ট্ৰো-এছীয় | মন খামেৰ মুণ্ডা | মেঘালয়, নিকোবৰ দ্বীপ, পশ্চিমবংগ বিহাৰ, উৰিষ্যা, অসম, মধ্যপ্ৰদেশ মহাৰাষ্ট্ৰ |
| | অষ্ট্ৰো নেছিয়ান | | ভাৰতৰ বাহিৰত |

| | | | |
|---|---|---|---|
| দ্ৰাভিজিয়ান (দ্ৰাবিড়) ২০% | | দক্ষিণ দ্ৰাবিড়<br>মধ্য দ্ৰাবিড়<br><br>উত্তৰ দ্ৰাবিড় | তামিলনাড়ু, কৰ্ণাটক, কেৰালা,<br>অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, উৰিষ্যা। মহাৰাষ্ট্ৰ,<br>বিহাৰ-উৰিষ্যা,পশ্চিমবংগ, মধ্যপ্ৰদেশ |
| চীনা-তিব্বতীয় (কিৰাত) ০.৮৫% | তিব্বত-ম্যানমাৰীয়<br><br><br>চিয়ামি-চীন | তিব্বত হিমালয়<br><br>উত্তৰ অসম<br>অসম-ম্যানমাৰী | জম্মু-কাশ্মীৰ, চিকিম, হিমাচল প্ৰদেশ,<br>অৰুণাচল প্ৰদেশ<br>অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, মেঘালয়। |
| ইন্দো-ইউৰোপীয় (আৰ্য) ৭৩% | ইন্দো-আৰ্য | ইৰাণী<br>দাৰ্ডিক<br>ইন্দো-আৰ্য | ভাৰতৰ বাহিৰত<br>জম্মু আৰু কাশ্মীৰ<br>জম্মু আৰু কাশ্মীৰ, পঞ্জাব, হিমাচল প্ৰদেশ, উত্তৰপ্ৰদেশ, ৰাজস্থান, হাৰিয়ানা, মধ্যপ্ৰদেশ, বিহাৰ উৰিষ্যা, পশ্চিমবংগ, অসম, গুজৰাট, মহাৰাষ্ট্ৰ, গোৱা। |

উৎস ঃ Ahmed, A (1999) Social Geography, Rowat Publication Ned Delhi

## ধৰ্মীয় গঠন

সৰহভাগ ভাৰতীয়ৰ সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনত প্ৰভাৱ বিস্তাৰ কৰা শক্তিয়েই হ'ল ধৰ্মীয় অনুভূতি। যিহেতু ধৰ্মই পৰিবাৰিক আৰু সাম্প্ৰদায়িক জীৱনৰ প্ৰায়বোৰ ক্ষেত্ৰতেই প্ৰভাৱ বিস্তাৰ কৰে সেয়েহে ধৰ্মীয় গঠন সম্পৰ্কে অধ্যয়ন কৰাটো অতি প্ৰয়োজনীয় বিষয়।

দেশৰ ধৰ্মীয় সম্প্ৰদায়ৰ বিতৰণৰ আৰ্হিলৈ (পৰিশিষ্ট-V) মন কৰিলে দেখা যায় যে কিছুমান ৰাজ্য আৰু বিশেষ অঞ্চলত কোনো এটা নিৰ্দিষ্ট ধৰ্মাৱলম্বী লোকৰ আধিপত্য অধিক আৰু আন কিছুমান অঞ্চলত সেই ধৰ্মৰ লোক নগণ্য।

ভাৰতৰ বহুতো ৰাজ্যত হিন্দু ধৰ্মাৱলম্বী লোকৰ সংখ্যা অধিক (৭০-৯০ শতাংশ বা ততোধিক)। কিন্তু কিছুমান অঞ্চলত হিন্দু ধৰ্মীয় লোকৰ সংখ্যা তাকৰ। তেনে অঞ্চলবোৰ হ'ল— ভাৰত-বাংলাদেশ সীমান্ত অঞ্চল। ভাৰত-পাকিস্তান সীমান্ত অঞ্চল, জম্মু আৰু কাশ্মীৰৰ উত্তৰ-পূব ভাৰতৰ পাহাৰীয়া ৰাজ্যকেইখন, দাক্ষিণাত্য মালভূমি আৰু গংগা সমভূমিৰ কিছুমান বিশেষ অঞ্চল।

ধৰ্মীয় সংখ্যালঘু মুছলমানসকলক প্ৰধানকৈ জম্মু আৰু কাশ্মীৰ, পশ্চিমবংগ আৰু কেৰালাৰ কেইখনমান নিৰ্দিষ্ট জিলা, উত্তৰপ্ৰদেশৰ কেইবাখনো জিলা দিল্লীৰ আশে-পাশে আৰু লাক্ষাদ্বীপত ইছলাম ধৰ্মীয় লোকৰ জনসংখ্যা অধিক। কাশ্মীৰ উপত্যকা আৰু লাক্ষাদ্বীপত মুছলমানসকল সংখ্যাগুৰু।

### ক্ৰিয়াকলাপ

| |
|---|
| তালিকা-১.২ চোৱা আৰু এই তথ্যৰ ভিত্তিত এটা চক্ৰচিত্ৰ (Pie-diagram) আদি বিভিন্ন ভাষা-ভাষী লোকৰ তুলনামূলক জনসংখ্যা দেখুওৱা<br>বিভিন্ন ভাষাৰ বাবে বিভিন্ন সাংকেতিক চিহ্ন ব্যৱহাৰ কৰি ভাৰতবৰ্ষৰ এখন ভাষাৰ বিতৰণ সম্বন্ধীয় মানচিত্ৰ প্ৰস্তুত কৰা। |

ভাৰতবৰ্ষত খ্ৰীষ্টিয়ান ধৰ্মাৱলম্বী লোকসকল সাধাৰণতে গ্ৰাম্য অঞ্চলত সিঁচৰতি হৈ আছে। খ্ৰীষ্টিয়ান লোকসকলৰ বসতিপ্ৰধান অঞ্চলবোৰ হ'ল গোৱা, কেৰালা, ছোটনাগপুৰ মালভূমি আৰু উত্তৰ-পূব ভাৰতৰ পাহাৰীয়া ৰাজ্যবোৰ যেনে মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম আৰু অসমৰ পাহাৰীয়া জিলা দুখনৰ কিছুমান বিশেষ অঞ্চল।

শিখসকলৰ প্ৰধান বসতি অঞ্চল হ'ল পঞ্জাব, হাৰিয়ানা আৰু দিল্লী।

জৈন আৰু বৌদ্ধ ধৰ্মাৱলম্বীসকলৰ সংখ্যা নিচেই কম। ৰাজস্থান, মহাৰাষ্ট্ৰ আৰু গুজৰাটৰ একাংশ নগৰীয়া কেন্দ্ৰৰ ঠাই বিশেষে জৈনসকলৰ বসতি দেখা যায়। আনহাতে বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলৰ অধিকাংশই মহাৰাষ্ট্ৰত বাস কৰে। তদুপৰি ছিকিম, অৰুণাচল প্ৰদেশ আৰু জম্মু আৰু কাশ্মীৰৰ লাডাখ অঞ্চলৰ বৌদ্ধ ধৰ্মীয় লোক সিঁচৰতি হৈ আছে। কিছুসংখ্যক বৌদ্ধধৰ্মৰ অনুগামী লোক ত্ৰিপুৰা আৰু হিমাচল প্ৰদেশৰ লাহুল আৰু স্পিতি অঞ্চলত বসবাস কৰা দেখা যায়।

অন্যান্য ধৰ্মীয় সম্প্ৰদায়ৰ ভিতৰত প্ৰাচীন জড় উপাসক, জনজাতীয় আৰু অন্যান্য আদিম বিশ্বাসী লোক অন্তৰ্ভুক্ত কৰা হয়। এই ধাৰণাত বিশ্বাসী লোকৰ সংখ্যা তেনেই কম আৰু ভাৰতৰ প্ৰায় সকলো ঠাইতেই পোৱা যায়।

**তালিকা ১.৩ ঃ ভাৰতৰ বিভিন্ন ধৰ্মাৱলম্বী লোক (২০০১)**

| ধৰ্মীয় সম্প্ৰদায় | ২০০১ | |
|---|---|---|
| | জনসংখ্যা (নিযুত হিচাপত) | শতাংশ |
| হিন্দু | ৮২৭.৬ | ৮০.৫ |
| মুছলমান | ১৩৮.২ | ১৩.৫ |
| খ্ৰীষ্টিয়ান | ২৪.১ | ২.৩ |
| শিখ | ১৯.২ | ১.৯ |
| বৌদ্ধ | ৮.০ | .৯ |
| জৈন | ৪.২ | .৪ |
| অন্যান্য | ৬.৬ | .৬ |

## ধৰ্ম আৰু ভূ-দৃশ্যাৱলী

বিভিন্ন ধৰ্মৰ লোকসকলে নিৰ্দিষ্ট শৈলীৰে উপাসনা/প্ৰাৰ্থনাগৃহ সাজে। ধৰ্মীয় কাৰ্যত ব্যৱহাৰৰ বাবে কিছুমান নিৰ্দিষ্ট বৃক্ষ ৰোপণ কৰে, জীৱ-জন্তু পোহপাল দিয়ে। ধৰ্মীয়গৃহ নিৰ্মাণৰ আৰ্হিয়ে সেই অঞ্চলৰ বাসিন্দাসকলৰ ধৰ্মীয় দিশটোৰ প্ৰতিফলন ঘটায়। নাম-প্ৰসংগ গৃহৰ পৰা আৰম্ভ কৰি বৃহৎ মন্দিৰ, মছজিদ, গিৰ্জা, গুৰুদ্বাৰা, মনেষ্ট্ৰি আদি আকাৰ আৰু গঠনৰ ক্ষেত্ৰত, ব্যৱহাৰ আৰু সেইবোৰৰ ঘনত্বই ভূ-দৃশ্যাৱলীক এটা বিশেষ মাত্ৰা প্ৰদান কৰে।

## কৰ্মী জনসংখ্যাৰ গঠন (Composition of working population)

আৰ্থিক মৰ্যদা (Economic Status) অনুযায়ী ভাৰতৰ জনসংখ্যাক তিনিটা ভাগত বিভক্ত কৰিব পাৰি। প্ৰধান কৰ্মী, প্ৰান্তীয় কৰ্মী (marginal worker) আৰু নিষ্কৰ্মা (non-worker)

**মান পিয়ল গণনা সূত্ৰ**

| |
|---|
| প্ৰধান কৰ্মীয়ে বছৰটোৰ নিম্নতম ১৮৩ দিন কাম কৰিব লাগিব। প্ৰান্তিক কৰ্মীয়ে বছৰটোৰ ভিতৰত ১৮৩ দিনতকৈ কম কাম কৰে। |

ভাৰতবৰ্ষৰ কৰ্মৰ ক্ষেত্ৰত এটা বিশেষ মন কৰিবলগীয়া বিষয় হ'ল যে প্ৰধান আৰু প্ৰান্তিক কৰ্মীৰ সংখ্যা শতকৰা হিচাপত মাত্ৰ ৩০ জন আনহাতে নিষ্কৰ্মাৰ সংখ্যা হ'ল ৬১ শতাংশ লোকেই আনৰ ওপৰত নিৰ্ভৰশীল নাইবা এক বুজন সংখ্যক লোক এতিয়াও নিবনুৱা বা শক্তি সামৰ্থ্য অনুসৰি উপযুক্ত কামত নিয়োজিত হ'ব পৰা নাই।

### কৰ্ম সহযোগ অংশ ভোগীৰ হাৰ কি?

### (What is work participation ratio)

ভাৰতবৰ্ষৰ কৰ্মৰত জনসংখ্যাৰ অনুপাত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলভেদে বেলেগ বেলেগ। গোৱাৰ ক্ষেত্ৰত কৰ্মৰত জনসংখ্যাৰ হাৰ হ'ল ২৫ শতাংশ। আনহাতে মিজোৰামৰ ক্ষেত্ৰত ৫৩ শতাংশ। অধিক কৰ্মৰত জনসংখ্যাৰ হাৰ থকা ৰাজ্যবোৰ হ'ল হিমাচল প্ৰদেশ, ছিকিম, ছত্তীশগড়, অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ আৰু মেঘালয়। কেন্দ্ৰীয়শাসিত অঞ্চলৰ ভিতৰত দাদ্ৰা আৰু নগৰ হাভেলী, দমন আৰু দিউত কৰ্ম সহযোগ অংশ ভোগীৰ হাৰ অধিক। ভাৰতবৰ্ষৰ নিচিনা এখন ৰাষ্ট্ৰত কৰ্ম সহযোগ অংশ ভোগীৰ হাৰ অধিক হোৱাটো স্বাভাৱিক। কিয়নো অৰ্থনৈতিক উন্নয়নৰ স্তৰ নিম্ন পৰ্যায়ৰ। ভাৰতত আত্মনিৰ্ভৰশীল বা তেনে পৰ্যায়ৰ অৰ্থনৈতিক কাৰ্যকলাপৰ বাবে এক বুজন পৰিমাণৰ শাৰীৰিক পৰিশ্ৰম কৰিব পৰা শ্ৰমিকৰ আৱশ্যক।

বৃত্তিগত গঠনৰ দিশৰ পৰা লক্ষ্য কৰিলেও দেখা যায় যে প্ৰাথমিক বৃত্তিত (খেতিবাতি, খনি উৎপাদন আদি) জড়িত ব্যক্তিৰ সংখ্যা, দ্বিতীয়ক আৰু তৃতীয়ক বৃত্তিত জড়িত লোকৰ সংখ্যাতকৈ তুলনামূলকভাৱে বেছি। ভাৰতৰ প্ৰায় ৫৮.২ শতাংশ লোক খেতিয়ক (cultivator) আৰু কৃষিৰ সৈতে জড়িত শ্ৰমিক। ৪.২ শতাংশ লোক কুটীৰ শিল্পৰ সৈতে জড়িত আৰু ৩৭.৬ শতাংশ লোক শিল্প, বেপাৰ-বাণিজ্য, নিৰ্মাণ, ৰিপেয়াৰিং আদি কৰ্মৰ সৈতে জড়িত। পুৰুষ-মহিলা কৰ্মীৰ তুলনা কৰিলেও দেখা যায় যে কৰ্মৰ ক্ষেত্ৰত মহিলাতকৈ পুৰুষ কৰ্মীৰ সংখ্যা অধিক (চিত্ৰ-১.৪ আৰু তালিকা-১.৪)।

### বৃত্তিৰ ভাগবোৰ

২০০১ চনৰ জৰীপত ভাৰতৰ কৰ্মৰত জনসংখ্যাক চাৰিটা প্ৰধান ভাগত বিভক্ত কৰা হৈছে।


১। কৃষক

২। কৃষি শ্ৰমিক


৩। শিল্প কৰ্মী

৪। অন্যান্য কৰ্মী

প্ৰাথমিক বৃত্তি পুৰুষপ্ৰধান যদিও সাম্প্ৰতিক ভাগত দ্বিতীয়ক আৰু তৃতীয়ক বৃত্তিত মহিলাৰ অংশগ্ৰহণ কিছু উন্নত হৈছে।




*চিত্ৰ-১.৪ ঃ ভাৰতবৰ্ষৰ জনসংখ্যাৰ সংৰচনা-২০০১*



# Gender: India better than neighbours

**WOMEN ON TOP**

| Country | | |
|---|---|---|
| India | | 3.4 |
| Bangladesh | | 8.3 |
| Pakistan | | 5.6 |
| Nepal | | 7.4 |
| Sri Lanka | | 10.3 |
| China | | 6.3 |

**New Delhi:** Women don't seem to be doing too badly in India when we consider just South Asia. India's gender-related development index (GDI) rank is 96 out of 177 countries, one of the best in the region if we do not count Sri Lanka, which was ahead at rank 68. But, as always, the ranking hides more than it reveals about gender equality.

While Sri Lanka soars ahead on most counts, when it comes to women's political participation, it is behind most countries in the region and so is India. Pakistan leads the way with 20.1% highest percentage of women in Parliament. In Sri Lanka, the figure is 4.9% and in India 8.2%. ...

**Identify some issues in which India is ahead of or lagging behind its neighbours.**

*লিংগ ১.৫ ঃ ভাৰতবৰ্ষ চুবুৰীয়া দেশতকৈ উন্নত*

ভাৰতবৰ্ষ আৰু ইয়াৰ অন্তৰ্গত দেশবোৰৰ সুকীয়া সমন্বিত দণ্ডচিত্ৰ অংকণ কৰি বিভিন্ন বৃত্তিত নিয়োজিত পুৰুষ আৰু মহিলাৰ অনুপাত দেখুওৱা (বৃত্তি-কৃষি, কৃষি শ্ৰমিক শিল্পকৰ্মী, অন্যান্য) আৰু তুলনা কৰা।

বিগত কেইটামান দশকৰ পৰা ভাৰতবৰ্ষৰ কৃষি কৰ্মৰ লগত জড়িত শ্ৰমিকৰ সংখ্যা ক্ৰমে হ্ৰাস পাবলৈ ধৰিছে ( ১৯৯১ চনত ৬৬.৮৫ শতাংশ, ২০০১ চনত ৫৮.২ শতাংশ)।

তালিকা- ১.৪ ঃ বিভিন্ন খণ্ডত ভাৰতৰ শ্ৰমিক সক্তিৰ গঠন, ২০০১

| খণ্ড | জনসংখ্যা | | | |
|---|---|---|---|---|
| | জন | মুঠ শতাংশ | পুৰুষ | মহিলা |
| প্ৰাথমিক | ২৩৪০৮৮১৮১ | ৫৮.২ | ১৪২৭৪৫৫৯৮ | ৯১৩৪২৫৮৩ |
| দ্বিতীয়ক | ১৬৯৫৬৯৪২ | ৪.২ | ৮৭৪৪১৮৩ | ৮২১২৭৫৯ |
| তৃতীয়ক | ১৫১১৮৯৬০১ | ৩৭.৬ | ১২৩৫২৪৬৯৫ | ২৭৬৬৪৯০৬ |

সেইদৰে, দ্বিতীয়ক আৰু তৃতীয়ক বৃত্তিত অংশগ্ৰহণকাৰী হাৰ বৃদ্ধি হৈছে। এনেকুৱা তথ্যই এইটোকেই প্ৰতিপন্ন কৰে যে শ্ৰমিকসকলৰ এক বুজন সংখ্যকেই কৃষি বৃত্তিৰ পৰা অকৃষিবৃত্তিলৈ ধাৱমান হৈছে আৰু দেশখনৰ অৰ্থনীতি খণ্ডৰ পৰিবৰ্তন হোৱাটো সূচাইছে।

দেশৰ বিভিন্ন স্থানত বিভিন্ন বৃত্তিখণ্ডৰ নিয়োজনৰ হাৰৰ পাৰ্থক্য পৰিলক্ষিত হয়। (পৰিশিষ্ট-V)। উদাহৰণস্বৰূপে, হিমাচল প্ৰদেশ আৰু নাগালেণ্ডত কৃষকৰ অনুপাত অধিক। আনহাতে অন্ধ্ৰপ্ৰদেশ, ঝাৰখণ্ড, ছত্তীশগড়, উৰিষ্যা, পশ্চিমবংগ আৰু মধ্যপ্ৰদেশত কৃষি শ্ৰমিকৰ অনুপাত অধিক। উচ্চস্তৰীয় নগৰীকৃত দিল্লী, চণ্ডিগড় আৰু পণ্ডিচেৰীৰ কৃষি শিল্পৰ বাদে অন্যান্য বৃত্তিত নিয়োজিত শ্ৰমিকৰ সংখ্যা অধিক। ইয়াৰ দ্বাৰা এইটো বুজা যায় যে এইবোৰ ৰাজ্যত কৃষি ভূমিৰ পৰিমাণ সীমিত, দ্বিতীয়ক আৰু তৃতীয়ক তথা অন্যান্য বৃত্তিৰ বাবে অধিক শ্ৰমিকৰ প্ৰয়োজন কিয়নো নগৰীকৰণ আৰু শিল্পায়নৰ বাবে কৃষিভিন্ন অন্য বৃত্তিৰ লোকৰ চাহিদা অধিক।

## অনুশীলনী

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা—

(i) ২০০১ চনৰ পিয়ল অনুসৰি ভাৰতবৰ্ষৰ মুঠ জনসংখ্যা হ'ল—

(a) ১০২৮ নিযুত (c) ৩২৮৭ নিযুত

(b) ৩১৮২ নিযুত (d) ২০ নিযুত

(ii) ভাৰতবৰ্ষৰ কোনখন প্ৰদেশত জনসংখ্যাৰ ঘনত্ব সৰ্বাধিক?

(ক) পশ্চিমবংগ (গ) উত্তৰপ্ৰদেশ

(খ) কেৰালা (ঘ) পঞ্জাব

(iii) ২০০১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ কোনখন প্ৰদেশত নগৰীয়া জনসংখ্যাৰ অনুপাত অধিক—

(ক) তামিলনাডু (গ) কেৰালা

(খ) মহাৰাষ্ট্ৰ (ঘ) গুজৰাট

(iv) ভাৰতবৰ্ষৰ কোনটো ভাষিক গোষ্ঠীৰ জনসংখ্যা অধিক?

(ক) চীন-তিব্বতীয় (গ) অষ্ট্ৰিক

(খ) ইন্দো-আৰ্য (ঘ) দ্ৰাবিড়

২। তলত দিয়া প্ৰশ্নবোৰৰ ৩০টামান শব্দৰ ভিতৰত উত্তৰ দিয়া—

(i) 'অত্যধিক উষ্ণ আৰু শুকান, ঠাণ্ডা আৰু সেমেকা— অঞ্চলবোৰত জনসংখ্যাৰ ঘনত্ব সেৰেঙা,' ভাৰতৰ জনসংখ্যা বিতৰণৰ পৰিপ্ৰেক্ষিতত জলবায়ুৰ প্ৰভাৱ সন্দৰ্ভত উক্তিটো ব্যাখ্যা কৰা।

(ii) ভাৰতবৰ্ষৰ কোনবোৰ প্ৰদেশত গ্ৰাম্য জনসংখ্যা অধিক? বৃহৎ গ্ৰাম্য জনসংখ্যা হোৱাৰ এটা প্ৰধান কাৰণ দৰ্শোৱা।

(iii) ভাৰতবৰ্ষৰ কিছুমান প্ৰদেশত শ্ৰমিকৰ সংখ্যা আন কিছুমান প্ৰদেশৰ তুলনাত অধিক হোৱাৰ কাৰণ কি?

(iv) ভাৰতবৰ্ষৰ শ্ৰমিকৰ সৰহভাগেই কৃষিখণ্ডৰ সৈতে জড়িত।' ব্যাখ্যা কৰা

৩। তলত দিয়া প্ৰশ্নবোৰ ১৫০টামান শব্দৰ ভিতৰত উত্তৰ লিখা—

(i) ভাৰতবৰ্ষত জনসংখ্যা-ঘনত্বৰ স্থানিক-আৰ্হি আলোচনা কৰা।

(ii) ভাৰতৰ জনসংখ্যাৰ বৃত্তিগত সংৰচনাৰ বিষয়ে বৰ্ণনা কৰা।

❑❑❑